Celebration of Foundation Day at Saraighat College on 21th July 2025



Guwahati, Tuesday, July 22, 2025

দৈনিক জনমভূমি

# শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদযাপন



মহানগৰ ব্যুৰ', ২১ জুলাই ঃ যোৱা ২১ জুলাইত চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ ৪৫সংখ্যক প্ৰতিষ্ঠা দিৱস বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হয়। প্ৰথম কাৰ্যসূচী হিচাপে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° মণি শৰ্মাই। পৰৱৰ্তী সময়ত শ্বহীদ তৰ্পণ আৰু বৃক্ষৰোপণ কাৰ্যসূচীৰ পাছত মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখনি মুকলি সভা অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ অধ্যাপক ড° ধনেশ্বৰ কলিতাই আঁত ধৰা অনুষ্ঠানটোৰ বন্তিপ্ৰজ্বলনৰ পাছতে শিক্ষকসকলৰ দ্বাৰা পৰিৱেশিত এটা সমৱেত সংগীতেৰে আৰম্ভ হোৱা সভাত কামৰূপ জিলাৰ আয়ুক্ত ড° দেৱ কুমাৰ মিশ্ৰই 'শৰাইঘাট— ইয়াৰ ঐতিহ্য, অতীত আৰু বৰ্তমান' শীৰ্ষক মূল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° জ্ঞানদা নাথ আৰু মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° মানস জ্যোতি বৰদলৈৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰে পৰা জড়িত কিছুসংখ্যক বয়োজ্যেষ্ঠ ব্যক্তি আৰু বৃহত্তৰ চাংসাৰি অঞ্চলৰ ভালেসংখ্যক ব্যক্তি আৰু প্ৰাক্তন শিক্ষাৰ্থী উপস্থিত থাকে। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° দেৱযানী দাসৰ দ্বাৰা পৰিৱেশিত এটি ভজনেৰে অনুষ্ঠানটোক এক বিশেষ মাত্ৰা প্ৰদান কৰে।




নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

২২ জুলাই, মঙ্গলবাৰ, ২০২৫


## শৰাইঘাট কলেজৰ বৰ্ষপূৰ্তি অনুষ্ঠানত আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ

# বুৰঞ্জীৰ কথা ক'লেই নহ'ব, সংৰক্ষণৰ মানসিকতাও থাকিব লাগিব



আমাৰ খবৰ, চাংসাৰি, ২১ জুলাই ঃ নৱগঠিত কমলপুৰ সমষ্টিৰ অন্তৰ্গত চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ ৪৫ সংখ্যক বৰ্ষপূৰ্তি অনুষ্ঠান আজি ৰূপায়ণ কৰা হয় । পুৱা ১০ বজাত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মণি শৰ্মা শাস্ত্ৰীয়ে পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পাছতে শ্বহীদ তৰ্পণ কৰে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা উষা তালুকদাৰে। গছপুলি ৰোপণ কৰে মহাবিদ্যালয়খন প্ৰতিষ্ঠাকালৰ প্ৰথমজন চিন্তন নায়ক প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ সহধৰ্মিণী অলকা কলিতা বৰুৱা আৰু প্ৰথমজন নামভৰ্তি কৰা ছাত্ৰ শংকৰ বড়োৱে। দিনৰ ১১ বজাত শৰাইঘাট মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° জ্ঞানদা নাথৰ সঞ্চালনাত অনুষ্ঠিত এক ঐতিহাসিক আলোচনাচক্ৰ সভাত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মা শাস্ত্ৰী, অধ্যাপক ড° মানসজ্যোতি বৰদলৈ আৰু কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ। বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা তথা আলোচনাৰ প্ৰসংগ 'শৰাইঘাট-ইয়াৰ-ঐতিহ্য, অতীত আৰু বৰ্তমান'ৰ শীৰ্ষক বিষয়ত মূল বক্তৃতা প্ৰদান কৰি আয়ুক্তগৰাকীয়ে শৰাইঘাট যুদ্ধৰ পটভূমিৰ প্ৰাসংগিকতাৰে বৃহত্তৰ অঞ্চলটোৰ ইতিহাস আৰু ঐতিহ্য সম্পৰ্কে এক মনোগ্ৰাহী দস্তাবেজ দাঙি ধৰে। তেওঁ কয় ঃ অসমীয়াৰ বীৰত্বৰ স্বাভিমান লাচিত বৰফুকনৰ শৰাইঘাট যুদ্ধৰ লগত নতুবা ৰজাদিনীয়া যুদ্ধৰ লগত সংপৃক্ত হৈ থকা গড়সমূহ আজি অস্তিত্বৰ সংকটত পৰিছে। ৰাজহুৱাভাৱে সকলোৱে কয় ঃ গড় সংৰক্ষণ হ'ব লাগে। কিন্তু ব্যক্তিৰ স্বাৰ্থত কোনেও নকয় বুলি উনুকিয়াই ইয়াকো কয় যে বুৰঞ্জীৰ কথা কৈ থাকিলেই নহ'ব। তাক সংৰক্ষণৰ মানসিকতা সকলোৱে থাকিব লাগিব। তদুপৰি আয়ুক্তগৰাকীয়ে ইয়াকো সদৰী কৰে যে যি জাতিয়ে নিজৰ ইতিহাস নাজানে সেই জাতি কেতিয়াও জাতি ৰক্ষা কৰিব নোৱাৰে । অনুষ্ঠানত তেওঁ অঞ্চলটোৰ ঐতিহাসিক সমলসমূহৰ ওপৰত অধিক অধ্যয়নৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি শৰাইঘাট মহাবিদ্যালয়য়ে আগভাগ ল'ব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক গোবিন্দ চন্দ্ৰ নাথ, মুছলিম আলী, বিশিষ্ট সমাজকৰ্মী হলিৰাম বড়ো, সমাজসেৱিকা অলকা কলিতা বৰুৱাই শৰাইঘাট মহাবিদ্যালয়খন প্ৰতিষ্ঠাকালৰ ব্যক্তিৰ নাম উল্লেখ কৰে। অনুষ্ঠানত শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি তবিবৰ ৰহমান, সম্পাদক মুনীন্দ্ৰ লহকৰ, বিশিষ্ট সমাজকৰ্মী অপূৰ্ব কুমাৰ নাথক গামোচাৰে আদৰণী জনায়। সভাত কাৰ্টুনিষ্ট প্ৰদীপ নাথকে ধৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অধ্যাপিকা ড° দেৱযানী দাসে ভজন পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানটিৰ আঁত ধৰে অধ্যাপক ধনেশ্বৰ কলিতাই।